2025

(November-December)

# ASSAMESE

## Paper: AEC-ASM-101

## অসমীয়া ভাষাৰ কৌশল আৰু দক্ষতা বিকাশ

**Time: $2\frac{1}{2}$ Hours** **Total Mark: 60** **Pass Marks: 18**

*(The figures in the right margin indicate full marks of the questions)*

১. পোনপটীয়া উত্তৰ দিয়াঁ ঃ ১ × ৬ = ৬

(ক) 'নিকা অসমীয়া ভাষা' পুথিখনৰ লেখক কোন?

(খ) ; — এই যতি চিহ্নটোৰ নাম কি?

(গ) 'জীৱনটো আমি মাথোঁ এবাৰেই পাওঁ' পাঠটিৰ লেখকৰ মতে মানুহৰ 'পুনৰ্জন্ম' হ'ব পাৰে নে?

(ঘ) 'বেজবৰুৱা-ৰচনাৱলী' গ্ৰন্থখন কোনে সম্পাদনা কৰিছে?

(ঙ) হৰিবৰৰ পুতেকৰ নাম কি আছিল?

(চ) খাগৰি মানে কি?

২. (ক) অসমীয়া ভাষাৰ উচ্চাৰণ-বৈশিষ্ট্যৰ বিষয়ে আলোচনা কৰাঁ। ১৪

অথবা

(খ) শব্দৰ যথাযথ প্ৰয়োগ আৰু ভাল লেখাৰ গুণাৱলীৰ বিষয়ে এটি টোকা প্ৰস্তুত কৰাঁ। ৭ + ৭ = ১৪

৩. (ক) তোমাৰ অঞ্চলৰ ৰাস্তাৰ দুৰৱস্থাৰ বিষয়ে বৰ্ণনা কৰি তাৰ উন্নয়নৰ বাবে অনুৰোধ জনাই স্থানীয় বিধায়কক প্ৰদান কৰিবলৈ এখন স্মাৰক পত্ৰ প্ৰস্তুত কৰাঁ। ১৪

অথবা

(খ) কাৰ্যবিৱৰণী লিখনৰ ক্ষেত্ৰত মন কৰিবলগীয়া দিশবোৰ উল্লেখ কৰি আলোচনা কৰাঁ। ১৪

৪. (ক) অসমৰ নিবনুৱা সমস্যা সন্দৰ্ভত তোমাৰ পৰ্যৱেক্ষণ দাঙি ধৰি এটি প্ৰবন্ধ প্ৰস্তুত কৰাঁ। ১৪

অথবা

(খ) প্ৰকল্প প্ৰতিবেদনৰ এটি আৰ্হি যুগুত কৰাঁ। ১৪

৫. (ক) "কুকুৰজনীৰ প্ৰতি সহানুভূতিত মণিকান্ত ককাইদেউৰো বুকুখন গলি গৈছিল" ইয়াত কিহৰ সহানুভূতিৰ কথা কোৱা হৈছে? তোমাৰ পাঠ্যক্ৰমৰ অন্তৰ্গত 'কুকুৰৰ ঈশ্বৰ' নামৰ পাঠটিৰ আধাৰত আলোচনা কৰাঁ। ১২

অথবা

(খ) "বিজ্ঞানীৰো বৈজ্ঞানিক মন নাথাকিব পাৰে"— উক্তিটোৰ আধাৰত বৈজ্ঞানিক মন আৰু বৈজ্ঞানিক দৃষ্টিভংগীৰ বিষয়ে বুজাই লিখাঁ। ৬ + ৬ = ১২